মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, APRIL 01, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৯৪ Guwahati, Assam ।। মূল্যঃ এটকা






মহাৰেলীৰ মঞ্চত ছোনিয়া গান্ধীৰ সৈতে এনেদৰে দেখা গ'ল জেললৈ যোৱা ২ ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ পত্নীক, আনখন ছবিত হাতত হাত ধৰি বিৰোধী নেতাসকলৰ অংগীকাৰ

## বিজেপিয়ে 'মেচ ফিক্সিং'ৰ চেষ্টা চলাইছে বুলি দাবী ৰাহুল গান্ধীৰ

# ৰামলীলা ময়দানত বিৰোধীৰ 'মহাহুংকাৰ'



**নতুন দিল্লী, ৩১ মাৰ্চঃ** আসনৰ অংক সম্পূৰ্ণকৈ মিলাবলৈ সমৰ্থ নহ'লেও অৱশেষত দিল্লীৰ ৰামলীলা ময়দানত দেওবাৰে একেখন মঞ্চত দেখা গ'ল 'ইণ্ডিয়া' মিত্ৰজোঁটৰ দলসমূহৰ নেতাসকলক। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ শেষাংশ ২ পৃষ্ঠাত

# ভূপেন বৰাক লাগে অৰ্থ সহায়

**ই-সংবাদ, ৩১ মাৰ্চঃ** নিৰ্বাচনত শাসকীয় বিজেপি দলে কোটি কোটি টকা খৰছ কৰিছে। আনহাতে, মুখ্য বিৰোধী দলটোৰ নিৰ্বাচনৰ প্ৰচাৰ শেষাংশ ৩ পৃষ্ঠাত



প্ৰধানমন্ত্ৰীৰ সৈতে বাসগৃহলৈ গৈ অসুস্থ লালকৃষ্ণ আদৱানিক 'ভাৰত ৰত্ন' প্ৰদান ৰাষ্ট্ৰপতি দ্ৰৌপদী মূৰ্মুৰ, সবিশেষ বাতৰি ৮নং পৃষ্ঠাত চাওক

## 'দুৰ্নীতি বিৰোধী যুদ্ধ' কোনো কাৰণতে বন্ধ নকৰে বুলি দাবী প্ৰধানমন্ত্ৰীৰ

**মীৰাট, ৩১ মাৰ্চঃ** পুনৰ নৰেন্দ্ৰ মোদীয়ে উত্তৰ প্ৰদেশৰ মীৰাটৰ পৰা প্ৰচাৰ আৰম্ভ কৰি ভাগ্য পৰীক্ষা কৰিবলৈ সাজু হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ আৰু ২০১৯ চনৰ দৰেই ২০২৪ চনৰ লোকসভা নিৰ্বাচনত উত্তৰ প্ৰদেশৰ শেষাংশ ৪ পৃষ্ঠাত

# এজাক বৰষুণতে বৰঝাৰ বিমান বন্দৰত খহি পৰিল চিলিং

## যাত্ৰীৰ মাজত হাহাকাৰ, জলমগ্ন হ'ল টাৰ্মিনেল



**ই-সংবাদ, ৩১ মাৰ্চঃ** আদানি গ্ৰুপে অসমীয়াৰ নাক-কাণ কাটিলে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ লোকৰ সন্মুখতে গুৱাহাটী বিমান বন্দৰৰ চিলিং আৰু টাৰ্মিনেলৰ ছাদ খহি পৰাত যাত্ৰীৰ মাজত হাহাকাৰ লাগে। যাত্ৰীৰ সন্মুখতে বিমান বন্দৰৰ বৃহৎ চিলিং আৰু টাৰ্মিনেলৰ ছাদ খহি পৰাত দৌৰা-দৌৰি লাগে। শেষাংশ ৩ পৃষ্ঠাত

# ঢোল, জাপিসহ ৰাজ্যৰ ৬ সম্পদলৈ জি-আই স্বীকৃতি

**ই-সংবাদ, ৩১ মাৰ্চঃ** অসমীয়া জাতিৰ মূল ভেটিটো শক্তিশালী তথা সমৃদ্ধ কৰি ৰাখিছে কিছু চিৰপ্ৰবাহমান সম্পদে। জাতিটোক আৰ্থিকভাৱে চহকী আৰু সমৃদ্ধ কৰি ৰাখিছে এনে সম্পদে। ব্যাপক নিৰ্বাচনী প্ৰচাৰ তথা ৰঙালী বিহুৰ প্ৰস্তুতিৰ শেষাংশ ২ পৃষ্ঠাত

৭ পৃষ্ঠাত
## ভাষা-সাহিত্যৰ নীৰৱ সাধক বিশ্বেশ্বৰ হাজৰিকা নাই...

৮ পৃষ্ঠাত
## জলপাইগুৰিত ধুমুহাৰ ধ্বংসলীলা, ৫ জনৰ মৃত্যু

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰামলীলা ময়দানত বিৰোধীৰ

কেজৰিৱালৰ গ্ৰেপ্তাৰ আৰু কংগ্ৰেছক আয়কৰ বিভাগৰ কেবা হাজাৰ কোটিৰ জৰিমনা বিহাৰ প্ৰতিবাদ স্বৰূপে আয়োজন কৰা আজিৰ মহাৰেলীত কংগ্ৰেছ, আপ, শিৱসেনা, আৰজেডি, তৃণমূল কংগ্ৰেছ, পিডিপি, বাওঁদলকে ধৰি একাধিক বিৰোধী দলৰ নেতাই নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰৰ বিৰুদ্ধে হুংকাৰ প্ৰদান কৰে। এই মহাৰেলীত বিৰোধী নেতাসকলে 'গণতন্ত্ৰ বছাও আহক' শ্ল'গানেৰে এইবাৰৰ নিৰ্বাচনত দেশত গণতন্ত্ৰ অক্ষুন্ন ৰখাৰ স্বাৰ্থত বিজেপিৰ বিৰুদ্ধে ভোট দিবলৈ দেশবাসীক আহ্বান জনায়। মল্লিকাৰ্জুন খাৰ্গে, উদ্ধৱ থাকৰে, শাৰদ পাৱাৰ, ফাৰুক আব্দুল্লা, ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী, তেজস্বী যাদৱ, মেহবুবা মুফটি, ডেৰেক অব্ৰায়েনৰ লগতে প্ৰায় প্ৰতিগৰাকী নেতাই নিজৰ নিজৰ ভাষণত বিজেপিয়ে দেশত একনায়কত্ববাদ প্ৰৱৰ্তন কৰিবলৈ অপচেষ্টা অব্যাহত ৰাখিছে বুলি দাবী কৰে। আজিৰ মহাৰেলীত বিৰোধী মিত্ৰজোঁটে নিৰ্বাচন আয়োগক ৫টা বিশেষ আহ্বান জনায়। এই ৫ আহ্বান হৈছে লোকসভা নিৰ্বাচনত প্ৰতিটো দলকে সমান দৃষ্টিৰে চোৱা, বিৰোধী দলসমূহৰ বিৰুদ্ধে অনুসন্ধানকাৰী সংস্থাসমূহে নিৰ্বাচনৰ সময়ত চলোৱা অভিযান বন্ধ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰা, হেমন্ত ছোৰেন আৰু অৰবিন্দ কেজৰিৱালক শীঘ্ৰে মুক্তি দিয়া, নিৰ্বাচনৰ ভৰপক সময়ত বিৰোধী দলৰ বেংক একাউণ্ট বন্ধ কৰাৰ দৰে আৰ্থিক প্ৰতিবন্ধকতা প্ৰত্যাহাৰ কৰা আৰু ইলেক্ট'ৰেল বণ্ড তথা বিজেপিয়ে সংঘটিত কৰা আন আৰ্থিক অনিয়মৰ বিৰুদ্ধে সৰ্বোচ্চ ন্যায়ালয়ৰ জৰিয়তে তদন্ত কমিটি গঠন কৰি দিয়া। এই ৰেলীত অৰবিন্দ কেজৰিৱালে জেলৰ পৰাই লিখি দিয়া ভাষণ পাঠ কৰে তেওঁৰ পত্নী সুনীতা কেজৰিৱালে। প্ৰথমবাৰৰ বাবে কোনো ৰাজনৈতিক মঞ্চত ভৰি থৈ কেজৰিৱালৰ পত্নীয়ে স্বামীয়ে লিখি পঠিওৱা ভাষণ পাঠ কৰাৰ লগতে নিজেও মন্তব্য আগবঢ়ায়। তেওঁ কয় যে চৰকাৰে আম আদমী পাৰ্টীৰ উত্থান দেখি এনেদৰে নিঃশেষ কৰিবলৈ উঠি-পৰি লাগিছে যদিও দেশৰ জনতাই সেয়া হ'বলৈ নিদিয়ে। কেজৰিৱালৰ পত্নীৰ লগতে কাৰাবন্দী আনগৰাকী মুখ্যমন্ত্ৰী হেমন্ত ছোৰেনৰ পত্নী কল্পনা ছোৰেনেও মোদী চৰকাৰক আক্ৰমণ কৰি ভাষণ প্ৰদান কৰে। আনহাতে ৰাহুল গান্ধীয়ে এইবাৰৰ নিৰ্বাচনত বিজেপিয়ে 'মেছ ফিক্সিং' কৰিবলৈ চেষ্টা চলাইছে বুলিও অভিযোগ কৰে। তেওঁ কয় যে বিৰোধীয়ে বিজেপিৰ এই অপচেষ্টা সফল হ'বলৈ নিদিয়ে। 'আপোনালোকে যদিহে বুকু ডাঠ কৰি ভোট নিদিয়ে তেন্তে বিজেপিয়ে এই মেছ ফিক্সিংত সফল হৈ পৰিব। যিদিনাই বিজেপি মেছ ফিক্সিংত সফল হ'ব সেইদিনাই আমাৰ দেশৰ সংবিধানো নাইকিয়া হৈ পৰিব।'- এইবাৰৰ নিৰ্বাচনক গণতন্ত্ৰ আৰু সংবিধান ৰক্ষাৰ নিৰ্বাচন আখ্যা দি ৰাহুল গান্ধীয়ে কয়। মহাৰেলীৰ মঞ্চত ভাষণ দি কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে নিৰ্বাচন আয়োগে বিজেপিৰ হৈ কাম কৰা বুলিও গুৰুতৰ অভিযোগ উত্থাপন কৰে আৰু দেশৰ ভৱিষ্যতৰ স্বাৰ্থতে নিৰ্বাচন আয়োগক ভ্ৰমৰ পৰা উঠি আহি নিজৰ প্ৰকৃত দায়িত্ব পালন কৰিবলৈকো আহ্বান জনায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঢোল, জাপিসহ ৰাজ্যৰ

মাজতে অসমীয়া জাতিটোক সমৃদ্ধ কৰি ৰখা সম্পদক লৈ আহিছে এক ভাল খবৰ৷ বাপোতিসাহোন ৰঙালী বিহুৰ সময়তে কেইবাবিধ অসমৰ সম্পদে বিশেষ স্বীকৃতি লাভ কৰিছে৷ যিখবৰে অসমীয়া মানুহক উৎফুল্লিত কৰিছে৷ অসমীয়া জাতিৰ আবেগ জড়িত ৰঙালী বিহুত ব্যৱহৃত বিহু ঢোলক বিশেষ স্বীকৃতি প্ৰদান কৰা হৈছে৷ বিহু ঢোলক ভৌগোলিক স্বীকৃতি তথা Geographical Indication Tag প্ৰদান কৰা হৈছে৷ ঢোল অসমীয়া জাতিৰ আটাইতকৈ গুৰুত্বপৰ্ণ বাদ্যযন্ত্ৰ। বিহু আৰু হুঁচৰি ঢোল অবিহনে অসম্ভৱ৷ ঢোলৰ চেৱে চেৱে ডেকা-গাভৰুৱে কঁকাল ভাঙি নাচে৷ ঢোলৰ মাত শুনিলে অসমীয়াৰ গা ৰাই-জাঁই কৰে। বিহুগীত, বিহুনৃত্য ঢোল অবিহনে আধৰুৱা৷ এতিয়াৰ পৰা ঢোলৰ ওপৰত কেৱল অসমীয়াৰ অধিকাৰ তথা দাবী থাকিব৷ আনহাতে, অসমীয়া জাতিৰ স্বাভিমানৰ প্ৰতীক স্বৰূপ জাপিক ভৌগোলিক স্বীকৃতি দিয়া হৈছে৷ জাপি অসমীয়া জাতিৰ মান-অভিমান৷ জাতিক সমৃদ্ধি কৰা এক সম্পদ৷ আজিও জাপিৰে যোগ্যজনক সন্মান প্ৰদান কৰা হয়৷ জাপি তৈয়াৰৰ কৌশলে জাতিটোক চহকী বুলি স্বীকৃতি দিয়ে৷ শ-শ বছৰৰ পৰা অসমীয়া মানুহে জাতিটোক লৈ গৌৰৱ কৰি আহিছে৷ জাপিক ভৌগোলিক স্বীকৃতি দিয়া হৈছে আৰু এতিয়াৰ পৰা জাপি কেৱল অসমীয়া জাতিৰ সম্পদ তথা অপৰিহাৰ্য্য অংগ হৈ থাকিল৷ সৰ্থেবাৰীৰ বিখ্যাত কাঁহ-শিল্পকো জি.আই টেগ প্ৰদান কৰা হৈছে৷ সৰ্থেবাৰীৰ কাহ-শিল্প এতিয়াৰ পৰা ভৌগোলিক স্বীকৃতি সম্পদ হৈ থাকিল৷ আহোম স্বৰ্গদেউসকলৰ পৰা আৰম্ভ কৰি যুগে যুগে সৰ্থেবাৰী কাহ শিল্পই প্ৰশংসা লাভ কৰি আহিছে৷ নিখুঁত শিল্প প্ৰতিভাই জাতিটোক গৌৰান্বিত কৰে৷ কাঁহৰ বাচ-বৰ্তন, শৰাই আদিক লৈ অসমত এক ব্যৱসায় গঢ়ি উঠিছে৷ একালত অসমত কাহৰ বাচন-বৰ্তন খুব প্ৰচলন হৈছিল৷ কিন্তু সত্তৰৰ দশকৰ পাছত ব্যৱহাৰ কমি আহিছিল যদিও শেহতীয়াকৈ কাহৰ বাচন-বৰ্তনৰ ব্যৱহাৰ বাঢ়িছে৷ সৰ্থেবাৰী কুটীৰ-শিল্পৰ পৰম্পৰাগত সম্পদ আৰু বিশ্বজুৰি চৰ্চিত৷ ধুবুৰী জিলাৰ আশাৰীকান্দিৰ পোৰা মাটিৰ শিল্পক জি.আই টেগ প্ৰদান কৰা হৈছে৷ মৃৎ শিল্পৰ বাবে বিখ্যাত গৌৰীপুৰৰ ঐতিহাসিক ভাস্কৰ্য্য বিশ্বতে বিৰল৷ টেৰাকোটা শিল্প হৈছে ইটাৰ নিচিনাকৈ তৈয়াৰ কৰা পোৰা মাটিৰ শিল্প। এই ভাস্কৰ্য্যৰ দ্বাৰা মাটিৰ বিভিন্ন সামগ্ৰী তৈয়াৰ কৰা হয়৷ পানী মিহলাই জুইত সেকি বিভিন্ন ৰঙেৰে সজোৱা হয় ভাস্কৰ্য্যই এতিয়াৰ পৰা ভৌগোলিক স্বীকৃতি লাভ কৰিলে৷ মিচিং জনগোষ্ঠীৰ হস্ত শিল্পক স্বীকৃতি দিয়া হৈছে৷ মিচিং জনগোষ্ঠীৰ হস্ততাঁত সামগ্ৰীসমূহ এতিয়াৰ পৰা বিশেষভাৱে স্বীকৃত হ'ব৷ আনহাতে পানী মেটেকা শিল্পক জি.আই টেগ প্ৰদান কৰা হৈছে৷ নাবাৰ্ডৰ সহযোগত বহাগ বিহুৰ পূৰ্বে অসমৰ শিল্প তথা সম্পক ভৌগোলিক স্বীকৃতি প্ৰদান কৰাত বিশেষ সফলতা হিচাপে গণ্য কৰা হৈছে। এই স্বীকৃতিয়ে থলুৱা শিল্পসমূহক মান বৃদ্ধিৰ লগতে সুৰক্ষা নিশ্চিত কৰি প্ৰচাৰ-প্ৰসাৰো লাভ কৰিব বুলি আশা কৰা হৈছে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এজাক বৰষুণতে বৰঝাৰ

কথমপি প্ৰাণ ৰক্ষা পৰে কেইবাগৰাকী যাত্ৰীৰ। লগতে বিমান বন্দৰৰ ভিতৰত আৰু বাহিৰত পানী জমা হয়। কৃত্ৰিম বানৰ কৱত পৰি বিমান বন্দৰৰ বিভিন্ন এলেকাত পানী জমা হৈ যাত্ৰীৰ আহ-যাহ বন্ধ হৈ পৰে। বিমান বন্দৰৰ কৰ্মচাৰীয়ে পানী সিঁচি তত নোপোৱা হৈ পৰে। মুঠতে প্ৰায় ৫ ঘণ্টা সময় গুৱাহাটী বিমান বন্দৰত যাত্ৰীয়ে প্ৰাণৰ সংশয়ত ভুগিবলগীয়া হয়। এজাক বৰষুণতে বিমান বন্দৰৰ চিলিং আৰু টাৰ্মিনেলৰ ছাদ খহি পৰাত লজ্জাজনক পৰিস্থিতিৰ সন্মুখীন হয় একাংশ অসমীয়া লোক। আদানী গ্ৰুপে বিমান বন্দৰ মেৰামতি তথা পৰিচালনাৰ নামত কোটি কোটি টকাৰ ঠিকা লাভ কৰি আহিছে। কিন্তু আজি এজাক বৰষুণতে গুৱাহাটী বিমান বন্দৰত চৰম দুৰ্ভোগত ভুগিবলগীয়া হয় কেইবা শ যাত্ৰী। গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ কেইবাখনো ৰাজ্যৰ যাত্ৰীৰ মুখ্য বিমান বন্দৰ। গুৱাহাটী বিমান বন্দৰ যোগে নিতৌ শ-শ পৰ্যটক আহে উত্তৰ-পূৰ্বাঞ্চললৈ। কিন্তু ভৰ বাৰিষাৰ পূৰ্বেই এনেদৰে এজাক বৰুষণতে চিলিং আৰু টাৰ্মিনেলৰ ছাদ খহি পৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আদানী গ্ৰুপে নিম্ন মানদণ্ডৰ কাম কৰাৰ অভিযোগ উত্থাপন হৈছে। ২০২১ চনতে আদানী গ্ৰুপক লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰ অত্যাধুনিক কৰিবলৈ দায়িত্ব দিছিল নৰেন্দ্ৰ মোদী চৰকাৰে। কিন্তু অত্যাধুনিক হোৱাটো দূৰৰ কথা এজাক বৰষুণতে পানী জমা হোৱাৰ লগতে চিলিং খহি পৰে। জানিব পৰা মতে, দেওবাৰে প্ৰায় ৪ বজাৰ পৰা গুৱাহাটীত বৰষুণ আৰম্ভ হয়। মিৰ্জা, পলাশবাৰী, ধাৰাপুৰ, আজাৰা, বিজয়নগৰ অঞ্চলত ধুমুহা আৰু শিলাবৃষ্টি হয়। প্ৰবল ধুমুহা আৰু বৰষুণৰ ফলত প্ৰভাৱ পৰে বিমান বন্দৰত। নেৰেনেপেৰা বৰষুণত গুৱাহাটী বিমানবন্দৰৰ চৌদিশে পানী ভৰি পৰে। ঠায়ে ঠায়ে একাঁঠু পৰ্যন্ত পানী জমা হয়। তেনে সময়তে বিমান বন্দৰৰ চিলিং আৰু ছাদ খহি পৰাত যাত্ৰীৰ মাজত দৌৰা-দৌৰি লাগে। পূৰ্বে কেতিয়াও সংঘটিত নোহোৱা ঘটনা সংঘটিত হোৱাত বিমান বন্দৰত অস্বাভাৱিক পৰিস্থিতিৰ সৃষ্টি হয়। এজাক বৰষুণৰ পিছতে উদ্ভৱ হোৱা পৰিস্থিতিক সহজভাৱে ল'ব পৰা নাই সচেতন মহলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভূপেন বৰাক লাগে অৰ্থ

চলাবলৈ টকা নাই। আৰ্থিক সংকটত ককবকাই নিৰ্বাচনী প্ৰচাৰ চলাব পৰা নাই অসম প্ৰদেশ কংগ্ৰেছে। হাতযোৰ কৰি আৰ্থিক সহায় বিচাৰিবলৈ বাধ্য হৈছে ৰাজ্যৰ মুখ্য বিৰোধী দল কংগ্ৰেছে। আয়কৰ বিভাগে ৰাষ্ট্ৰীয় কংগ্ৰেছৰ সকলো বেংক একাউণ্ট বন্ধ কৰি দিয়াৰ পাছতে বিভিন্ন জিলাত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ অৰ্থৰ অভাৱে দেখা গৈছে। তেনেদৰে অসমতো অৰ্থৰ অভাৱত পৰিছে কংগ্ৰেছ। অৰ্থৰ অভাৱত হাহাকাৰ কৰিছে খোদ প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। ১৩টা সমষ্টিৰ প্ৰাৰ্থীক অৰ্থৰ যোগান ধৰিব নোৱাৰাত প্ৰাৰ্থী কলে বেনাৰ-পোষ্টাৰ আদি ছপাব নোৱাৰাৰ লগতে গাড়ী-মটৰ ভাড়া কৰি প্ৰচাৰ সভাসমূহলৈ যাব পৰা নাই। আনকি কাৰ্যকৰ্তাসমূহক চাব একাপোখ খুৱাবলৈ টকা নাই প্ৰাৰ্থীৰ হাতত। আজি ভূপেন বৰাই এটা ভিডিঅ' জাৰি কৰি আৰ্থিক সহায় বিচাৰিছে। গণতন্ত্ৰ আৰু সংবিধান ৰক্ষাৰ যুঁজত ৰাইজৰ সহযোগিতা কামনা কৰিছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কয় যে চৰকাৰে দলৰ সকলো একাউণ্ট বন্ধ কৰি দিছে। আৰ্থিক সংকটৰ সন্মুখীন হৈছো। যাৰ বাবে দলীয় প্ৰাৰ্থীসকলক আৰ্থিক সহযোগ কৰিব পৰা নাই। লোকসভা নিৰ্বাচনৰ বাবে এইখিনি আৰ্থিক সহায় যথেষ্ট নহয়। প্ৰাৰ্থীসকলক দলৰ পৰা যিমানখিনি আৰ্থিক সহায় আগবঢ়াব লাগিছিল সিমান খিনি সহায় কৰিব পৰা নাই। ন্যায়ালয়ৰ হস্তক্ষেপৰ পাছতো ছীল একাউণ্টসমূহ খুলিব পৰা নগ'ল। দলৰ সকলো স্তৰৰ নেতা-কৰ্মী, ব্যৱসায়ী, কৃষক, শ্ৰমিক আৰু কংগ্ৰেছৰ শুভাকাংক্ষীৰ পৰা আৰ্থিক সহায় বিচাৰিছে ভূপেন বৰাই। গণতন্ত্ৰ আৰু সংবিধান ৰক্ষাৰ এই যুঁজখনত সহযোগিতা কামনা কৰিছে ভূপেন বৰাই। এইবাৰৰ লোকসভা নিৰ্বাচনত দলটোৰ হৈ অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলকো আৰ্থিক সাহায্য প্ৰদানৰ আহ্বান জনাইছে বৰাই।

# মৈৰাবাৰীত ড্ৰাগছ আসক্ত চোৰক উত্তম-মধ্যম শোধাই গতালে আৰক্ষীক

**ই-সংবাদ, মৈৰাবাৰী, ৩১ মাৰ্চঃ** মৈৰাবাৰীত ড্ৰাগছ আসক্ত যুৱকৰ কৰ্মকাণ্ডই নিদ্ৰা হৰণ কৰিছে মৈৰাবাৰী অঞ্চলবাসীৰ। দিনে-নিশাই সুযোগ গ্ৰহণ কৰি ড্ৰাগছ আসক্তই সংঘটিত কৰে চুৰিকাণ্ড। নিশা হোৱাৰ পাছতে ড্ৰাগছ সেৱন কৰি সংঘটিত কৰে চুৰি কাণ্ড। বিগত কিছুদিন ধৰি মৈৰাবাৰীত আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ



কৰিছে যদিও ড্ৰাগছ আসক্তসকলে নিশাৰ এন্ধাৰৰ সুযোগ লৈ অলিয়ে-গলিয়ে চুৰিকাণ্ড কৰি আহিছে। শনিবাৰে নিশাও মৈৰাবাৰী কলিবাৰী এলেকাত কেইবাটাও বাস গৃহত একাংশ ড্ৰাগছ আসক্ত যুৱকে চাফাই অভিযান চলাই কেইবাটাও ঘৰৰ পৰা নগদ ধন, মোবাইল, পানীৰ মটৰ, চাইকেল চুৰি কৰে। চুৰি কৰা দলটোৰ এজনক স্থানীয় ৰাইজে চিনাক্ত কৰি উত্তম-মধ্যম শোধাই থকা অৱস্থাত আৰক্ষী উপস্থিত হৈ ড্ৰাগছ আসক্ত চোৰটোক আটক কৰে। মৈৰাবাৰীত ড্ৰাগছ আসক্তৰ বাবে হাহাকাৰ কৰিব লগা হৈছে সাধাৰণ ৰাইজে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘দুৰ্নীতি বিৰোধী যুদ্ধ’ কোনো

মীৰাটৰ পৰা নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিলে। কেইবা হাজাৰ লোকৰ উপস্থিতিত আজি মিৰাটত অনুষ্ঠিত প্ৰথম নিৰ্বাচনী সভাত নিৰ্বাচনী ভাষণ প্ৰদান কৰি তৃতীয় কাৰ্যকালৰ বাবে দেখা সপোন ৰাজহুৱা কৰে৷ প্ৰধানমন্ত্ৰী মোদীয়ে বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হোৱাৰ লগে লগে ভাৰতৰ পৰা দৰিদ্ৰতা আঁতৰ হ’ব বুলি দাবী কৰে। এই সময়ত ভাৰতৰ বুলি দাবী প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে এয়া সাংসদ নিৰ্বাচনৰ নিৰ্বাচন নহয়। ২০২৪ চনৰ নিৰ্বাচন এখন উন্নত ভাৰত গঢ়াৰ। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ আৰু আৰএলডিৰ মুৰব্বী জয়ন্ত চৌধুৰী উপস্থিতিত মোদীয়ে কয় যে মই আপোনালোক সকলোকে মনত পেলাই দিব খোজো যে যেতিয়া ভাৰত বিশ্বৰ ১১ তম বৃহত্তম অৰ্থনীতি আছিল, ভাৰতত দৰিদ্ৰতাৰ হাৰ বৃদ্ধি পাইছিল। যেতিয়া ভাৰত পঞ্চম সৰ্ববৃহৎ অৰ্থনীতি হৈ পৰিছিল, ২৫০ নিযুতৰো অধিক লোক সফলতাৰে দৰিদ্ৰতাৰ পৰা ওলাই আহিছিল। মই আপোনালোকক গেৰাণ্টি দিছো যে আমি তৃতীয় সৰ্ববৃহৎ অৰ্থনীতি হ'ম, কেৱল দৰিদ্ৰতাই নাইকিয়া হ’ব এনে নহয়, এক নতুন মধ্যবিত্ত শ্ৰেণীয়ে ভাৰতৰ বিকাশত সহায় কৰিব। বিৰোধী মিত্ৰজোঁট ইণ্ডিয়াক আক্ৰমণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ ওপৰত আক্ৰমণে হ’লেও দুৰ্নীতি বিৰোধী যুঁজ বন্ধ নহয়৷ তেওঁলোকৰ দুৰ্নীতিৰ গ্ৰাফ্ট অনুযায়ী ব্যৱস্থা গ্ৰহণ কৰা হ’ব। মোদীয়ে যেতিয়া সম্পূৰ্ণ শক্তিৰে দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিছে, এই লোকসকলে মিত্ৰতা গঠন কৰিছে। তেওঁলোকে ভাবে যে তেওঁলোকে মোদীক ভয় খুৱাব, কিন্তু মোৰ বাবে, মোৰ দেশ মোৰ পৰিয়াল আৰু মই দুৰ্নীতিগ্ৰস্তসকলৰ পৰা মোৰ দেশক সুৰক্ষিত কৰিবলৈ পদক্ষেপ লৈছো৷ লোকসভা নিৰ্বাচনৰ সময়সূচী ঘোষণাৰ পাছত প্ৰথমখন ৰেলীসম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে মই মোৰ দেশক দুৰ্নীতিগ্ৰস্তসকলৰ পৰা ৰক্ষা কৰিবলৈ ডাঙৰ যুঁজ সাজু কৰিছো। সেইকাৰণে বৃহৎ দুৰ্নীতিগ্ৰস্তসকল আজি কাৰাগাৰত। আনকি উচ্চতম ন্যায়ালয়ৰ পৰাও জামিন পোৱা নাই। দুৰ্নীতিগ্ৰস্তক সতৰ্ক কৰি মোদীয়ে কয় ‘কাণ খুলি শুনক৷ মোদীৰ ওপৰত যিমানেই আক্ৰমণ নকৰা কিয়, এয়া বন্ধ নহয়। দুৰ্নীতিগ্ৰস্তসকল যিমানেই ডাঙৰ নহওঁক কিয়, নিশ্চিতভাৱে ব্যৱস্থা লোৱা হ’ব। যিয়ে দেশ লুটিছে, সেইসকলে টকা ঘূৰাই দিব লাগিব। এয়া মোদীৰ গেৰাণ্টি৷’’ মোদীয়ে কয়, ‘আমাৰ চৰকাৰে ইতিমধ্যে তৃতীয় কাৰ্যকালৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে। আমি আগন্তুক পাঁচ বছৰৰ বাবে এটা ৰোডমেপ প্ৰস্তুত কৰিছো। প্ৰথম ১০০ দিনত আমি কি ডাঙৰ সিদ্ধান্ত ল'ব লাগিব তাৰ ওপৰত কাম দ্ৰুতগতিত চলি আছে।’ মীৰাটৰ সৈতে থকা সম্পৰ্কৰ কথা উল্লেখ কৰি মোদীয়ে কয় ‘‘বন্ধুসকল, মীৰাটৰ এই ভূমিৰ সৈতে মোৰ বেলেগ সম্পৰ্ক আছে। আপোনালোকৰ মনত আছে যে ২০১৪ আৰু ২০১৯ চনত মই মিৰাটৰ পৰাই মোৰ নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিছিলো। ২০২৪ চনৰ নিৰ্বাচনৰ প্ৰথমখন ৰেলী মীৰাটত অনুষ্ঠিত কৰিছো।’’

# মহানগৰীত ড্ৰাগছ আসক্তই হানি-খুচি হত্যা কৰিলে চিনাকি যুৱকক

## ভেটাপাৰাৰ পৰা গ্ৰেপ্তাৰ হত্যাকাৰী ইৰ্শ্বাদ আলীক

**ই-সংবাদ, ৩১ মাৰ্চঃ** গুৱাহাটী মহানগৰীত ড্ৰাগছ আসক্ত যুৱকে আন এজন যুৱকক হানি-খুচি হত্যা কৰাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে৷ গুৱাহাটীৰ নোৱাপাৰাৰ জান্নাতপুৰত এই ঘটনা সংঘটিত হৈছে৷ ড্ৰাগছ আসক্ত ইৰ্শ্বাদ আলীয়ে চুমু আলীক হানি-খুচি হত্যা কৰে৷ দেওবাৰে চুমু আলীৰ পৰিত্যক্ত মৃতদেহ উদ্ধাৰ কৰিছে আৰক্ষীয়ে৷ মৃতদেহ উদ্ধাৰৰ পাছতে উত্তেজনাই বিৰাজ কৰে নোৱাপাৰাৰ জান্নাতপুৰত৷ একাংশ উত্তেজিত লোকে হত্যাকাণ্ডৰ অভিযুক্ত ইৰ্শ্বাদ আলীৰ ঘৰত আক্ৰমণ কৰাৰ লগতে ইৰ্শ্বাদ আলীৰ চৌহদত চুমু আলীৰ মৃতদেহ কবৰস্থ কৰিবলৈ যোজা চলোৱাত উত্তেজনাই বিৰাজ কৰে৷ ফলত স্থানীয় আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলগীয়া হয়৷ চুমু আলীয়ে দিন হাজিৰা কৰি পৰিয়ালক পোহপাল দি আহিছিল৷ জানিব পৰা মতে, জান্নাতপুৰৰ ইৰ্শ্বাদ আলীয়ে ড্ৰাগছ সেৱন কৰি প্ৰায়ে পিতৃ-মাতৃক অভব্য আচৰণ কৰি হাৰাশাস্তি কৰি আহিছিল৷ দুদিন পূৰ্বেও নিচাসক্ত ইৰ্শ্বাদ আলীয়ে পিতৃ-মাতৃক প্ৰহাৰ কৰে। তেনে সময়তে চুমু আলীয়ে পিতৃ-মাতৃক প্ৰহাৰ কৰাত বাধা দিয়ে৷ চুমু আলীয়ে বাধা দিয়াত খঙত অগ্নিশৰ্মা হৈ ইৰ্শ্বাদ আলীয়ে চুমু আলীক হত্যাৰ ভাবুকি দিয়। শনিবাৰে নিশা ইৰ্শ্বাদে কৌশলেৰে চুমু আলীক নিৰ্জন ঠাইলৈ মাতি নিয়ে। নিৰ্জন ঠাইত তিনি সহযোগীৰ সহায়ত চুমু আলীক হত্যা কৰি পৰিত্যক্ত চৌহদত মৃতদেহ পেলাই দিয়ে। চুমু নিশা ঘৰলৈ উভতি নহাত পিতৃয়ে বিচাৰ-খোচাৰ কৰিছিল৷ ইৰ্শ্বাদকো চুমুক দেখিছানে বুলি প্ৰশ্ন কৰিছিল। ইৰ্শ্বাদে চুমুৰ কথা নাজানো বুলি কৈছিল৷ আজি পুৱা স্থানীয় ৰাইজে মৃতদেহ উদ্ধাৰ কৰি আৰক্ষীক খবৰ দিয়ে৷ মৃতদেহ উদ্ধাৰ কৰি সাতগাঁও আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰে। ঘটনা ইৰ্শ্বাদৰ নেতৃত্বত সংঘটিত হোৱাৰ তথ্য লাভ কৰে আৰক্ষীয়ে৷ কিন্তু ইৰ্শ্বাদে সুযোগ বুজি পলায়ন কৰে৷ তেনে সময়তে অঞ্চলটোৰ ৰাইজ উত্তেজিত হয়। উত্তেজিত লোকে ইৰ্শ্বাদৰ ঘৰত আক্ৰমণ কৰাৰ চুমুৰ মৃতদেহ ঘৰৰ চৌহদত কবৰস্থ কৰাৰ প্ৰয়াস কৰে। সাতগাঁও আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে ভেটাপাৰাত ইৰ্শ্বাদক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়৷

## বিশ্বতে বিৰল

# কাৰ্বি আংলঙৰ ৰংতাৰা গাঁৱত এছীয় প্ৰজাতিৰ দীঘল নেজীয়া নিগনি উদ্ধাৰ



**ই-সংবাদ, ৩১ মাৰ্চঃ** পৃথিৱীৰ ক'তো নোপোৱা বিৰল প্ৰজাতিৰ দীঘল নেজীয়া নিগনি উদ্ধাৰ হৈছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সংযোজন এলেকাত বিলুপ্তপ্ৰায় বিৰল প্ৰজাতিৰ নিগনিৰ সন্ধান পাইছে প্ৰাণী বিশেষজ্ঞই। ৬২ বছৰৰ মূৰকত গৱেষকে বিৰল প্ৰজাতিৰ এছীয় প্ৰজাতিৰ দীঘল নেজৰ নিগনিৰ উপস্থিতি লাভ কৰিছে। দেশৰ আগশাৰীৰ প্ৰকৃতি সংগঠন আৰণ্যকৰ উভচৰ প্ৰাণী বিশেষজ্ঞ ফিৰোজ আহমেদৰ তত্বাৱধানত কৰা হৈছিল এই গৱেষণা। কাৰ্বি আংলং জিলাৰ ৰংতাৰা গাঁৱত তথা কাজিৰঙাৰ কঁহৰা নৈৰ উপত্যকাত ৬২ বছৰৰ মূৰত এছীয় প্ৰজাতিৰ দীঘল নেজৰ নিগনিৰ উপস্থিতি পাইছে গৱেষক দলে। ওপৰলৈ আৰোহন কৰিব পৰা এই প্ৰজাতিৰ নিগনিক ক্লাইম্বিং মাউচ বুলি কোৱা হয়। দক্ষিণ-পূব এছিয়াতহে এই প্ৰজাতি পোৱা যায়। বিগত বছৰৰ জুন মাহত কঁহৰা নদীৰ উপত্যকাত ক্ষেত্ৰ অধ্যয়নৰ সময়ত ৰংতাৰা গাঁৱত এই প্ৰজাতিটো প্ৰত্যক্ষ কৰে গৱেষক দলে। গৱেষক সৌৰভ গুপ্তা আৰু জয়ন্ত ৰয়ৰ নেতৃত্বত কঁহৰাৰ সমীপৱৰ্তী ৰংতাৰা গাঁওবাসীৰ সহায়ত কৰা ক্ষেত্ৰ অধ্যয়নৰ সময়ত মৃত নিগনি উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ঝুম খেতিৰ সমীপত এজোপা বাঁহ গছৰ তলত দীঘল নেজীয়া নিগনি উদ্ধাৰ হয়। গৱেষক দলটোৰ মতে, দীঘল নেজীয়া নিগনিটোক কাৰ্বি ভাষাত জুকিকচ' বুলি কোৱা হয়। এছীয় প্ৰজাতিৰ দীঘল নেজীয়া তথা গছত বগাব পৰা নিগনি বা এছিয়াটিক লং-টেইলড ক্লাইম্বিং মাউচ বুলি চিনাক্ত কৰিবলৈ সক্ষম হয়। কাৰ্বি আংলংৰ ৰংতাৰা গাঁও এই প্ৰজাতিৰ নিগনিৰ অসমত পোৱা দ্বিতীয় আৱাসিক অঞ্চল বুলিও চিনাক্ত কৰা হয়। ১৯৬১ চনত অসমৰ কামৰূপ জিলাৰ অংগৰখাতা গাঁৱত প্ৰথমবাৰ এই প্ৰজাতিৰ দীঘল নেজীয়া নিগনিৰ দেখিবলৈ পোৱা গৈছিল। অসম বিশ্ববিদ্যালয়ৰ বিজ্ঞান আৰু জৈৱ বিদ্যাৰ বিভাগৰ গৱেষক সৌৰভ গুপ্তাই দীঘল নেজীয়া বগাব পৰা এই প্ৰজাতিৰ নিগনিক আন্তঃৰাষ্ট্ৰীয় সংগঠন আই.ইউ.চি.এনৰ এল.চি শ্ৰেণীত স্বীকৃত প্ৰাণী বুলি কয়।

# খুমটাইত ধুমুহা-শিলাবৃষ্টিত গৃহহাৰা বহুজন, খেৰণিত নিহত ১

## নিশাৰ ভাগত গুৱাহাটীত প্ৰচণ্ড শিলাবৃষ্টি

**ই-সংবাদ, ৩১মাৰ্চঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্ত প্ৰচণ্ড ধুমুহা আৰু শিলাবৃষ্টিৰ কৱলত পৰাত ধন-জনৰ ক্ষতি হোৱাত হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি হয়। বিভিন্ন এলেকাত গছ-গছনি ভাঙি পৰাৰ লগতে বিদ্যুতৰ খুঁটা উঘালি বিদ্যুৎ সৰবৰাহ ব্যাহত হৈ পৰাত অন্ধকাৰৰ মাজত সময় পাৰ কৰিছে নাগৰিকে। তাৰ মাজতে পশ্চিম কাৰ্বি আংলঙৰ খেৰণিত ভয়কৰ ঘটনা সংঘটিত হয়। আজি আবেলি হঠাতে আকাশত তীব্ৰ শব্দ হোৱাত খেৰণিৰ দিখ্ৰেঙবস্তিত হুৱা-দুৱা লাগে। পথাৰৰ পৰা ঘৰলৈ আহি থকা অৱস্থাত পিণ্টু চৌহান নামৰ যুৱকৰ গাত বজ্ৰ পৰিপিন্ধি থকা কাপোৰ আৰু শৰীৰৰ বিভিন্ন অংশ অগ্নিদগ্ধ হয়। বজ্ৰপাত পৰি দিখ্ৰেঙবস্তিৰ পিণ্টু থিতাতে নিহত হয়। জানিব পৰা মতে, দিখ্ৰেঙবস্তিৰ পিণ্টু চৌহানে পথাৰৰ পৰা গৰু লৈ ঘৰলৈ আহি আছিল। তেনে সময়তে আদবাটতে ব্ৰজ পৰি নিহত হয়। পথাৰৰ পৰা গৰু ঘৰলৈ আনিয়েই নাপালে পিণ্টু চৌহানে। ঘটনাক লৈ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। আনহাতে, নিশা গোলঘাট জিলাৰ খুমটাইত প্ৰচণ্ড ধুমুহা-বৰষুণত ঘৰদুৱাৰ ভাঙি বিস্তৰ ক্ষতিসাধন হয়। বহু পৰিয়াল গৃহহাৰা হৈ পৰে। ঘৰৰ টিনপাত উৰুৱাই নিয়াত হাহাকাৰ কৰিবলগীয়া হয়। নিশাই স্থানীয় বিধায়ক মৃনাল শইকীয়াই ধুমুহাত ক্ষতিগ্ৰস্ত পৰিয়ালৰ ঘৰত উপস্থিত হৈ সান্ত্বনা দিয়াৰ লগতে চৰকাৰৰ পৰা সাহায্য আদায় কৰি দিয়াৰ আশ্বাস প্ৰদান কৰে।



দেওবাৰে হঠাৎ অহা ধুমুহাই ভাঙিলে হেপাঁহৰ ঘৰখন, ফটো ত্ৰিপুৰাৰ

# চ'তৰ এজাক বৰষুণতেই জলমগ্ন মহানগৰীৰ বহু অঞ্চল

**ই-সংবাদ, ৩১ মাৰ্চঃ** পুনৰ এজাক বৰষুণতে বুৰ গ'ল গুৱাহাটী। দেওবাৰে আবেলি হোৱা বৰষুণত বুৰ গ'ল গুৱাহাটী মহানগৰী। বিভিন্ন পথত এঁকাঠু পৰ্যন্ত পানী জমা হোৱাত পথচাৰীৰ হাহাকাৰ লাগে। বহু ঠাইত তীব্ৰ যান-জঁট লাগে। মুঠতে পূৰ্বৰ দৰেই আজি ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি হয় গুৱাহাটীত। জলমগ্ন গুৱাহাটীত পথ, উপ-পথ পানীৰে একাকাৰ হৈ পৰে। মাত্ৰ এজাক বৰষুণ দিছিল দেওবাৰে দিনৰ ভাগত। তাৰ পাছতে বৰষুণৰ পানীয়ে বুৰাই পেলালে মহানগৰীৰ ৰাজপথ। এয়া নতুন কথা নহ'লেও, পৰিবৰ্তনকামী চৰকাৰে দায়িত্ব লোৱা পাছতো এয়া মহানগৰৰ নাগৰিকৰ মনত বিৰক্তিকৰ হৈ পৰিছে। মহানগৰীৰ কৃত্ৰিম বান ৰোধৰ বাবে বহু ঘোষণা তথা আঁচনি ৰূপায়ন কৰা হয় যদিও সকলো বুমেৰাং হৈ পৰিল। যেন সকলো ঘোষণা আৰু আঁচনি অট্টহাস্য কৰি পুনৰ এজাক বৰষুণতে উটি গ'ল গুৱাহাটী মহানগৰীৰ আভিজাত্যৰ ভেম। বিয়লিৰে পৰা মহানগৰীত ভয়ংকৰ পৰিস্থিতি দেখা গ'ল। মহানগৰীৰ বিশেষকৈ চানমাৰী, শিলপুখুৰী আদি স্থানত দেখা গ'ল কৃত্ৰিম বানৰ প্ৰভাৱ। নতুনকৈ ড্ৰেইন ভালকৈ নিৰ্মাণ কৰা বুলি দাবী কৰা অঞ্চলতো দেখা গ'ল কৃত্ৰিম বান।

## ৰাজ্যজুৰি শোকৰ বন্যা, শোক প্ৰকাশ কৰিলে মুখ্যমন্ত্ৰীয়ে

# ভাষাৰ পূজাৰী, সাহিত্যাচাৰ্য বিশ্বেশ্বৰ হাজৰিকাৰ চিৰবিদায়

**ই-সংবাদ, ৩১ মাৰ্চঃ** জাতিটোৰ ভাষাৰ শ্ৰী-বৃদ্ধিৰ বাবে আহোপুৰুষাৰ্থ কৰা মানুহজন গুছি গ'ল৷ অসমীয়া ভাষাৰ প্ৰেমিক, অসমীয়া ভাষাটোৰ পূজাৰিজনে সাধনা সামৰি কেতিয়াও উভতি নহা বাটেৰে গুছি গ'ল৷ ওৰে জীৱন জাতিটোৰ কথা চিন্তা কৰা পণ্ডিতপ্ৰৱৰ শাস্ত্ৰজ্ঞ, ভাষাতত্ত্ববিদ বিশ্বেশ্বৰ হাজৰিকাই শনিবাৰে নিশা প্ৰায় ১ বাজি ৩০ মিনিটত শেষ নিশ্বাস ত্যাগ কৰে৷ অধ্যাপক, সাহিত্যাচাৰ্য্য বিশ্বেশ্বৰ হাজৰিকাৰ গুৱাহাটীৰ এখন ব্যক্তিগত খণ্ডৰ হাস্পতালত ইহলীলা সম্বৰণ কৰে৷ মহানগৰীৰ গীতানগৰৰ ব্যক্তিগত নাৰ্ছিং হোম কে.জি.এম.টিত চিকিসাধীন অৱস্থাত শনিবাৰে নিশা হঠাতে অধিক অসুস্থ হৈ পৰাত চিকিৎসকৰ দলে অপ্ৰাণ চেষ্টা কৰিও পুনৰ স্বাভাৱিক অৱস্থালৈ আনিব নোৱাৰিলে বিশ্বেশ্বৰ হাজৰিকাক৷ মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৯১ বছৰ। মৃতদেহ নিজ ঘৰলৈ নিয়াৰ পাছতে বহু গুণমুগ্ধ আৰু পৰিয়ালৰ উপস্থিতিত তেখেতক বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিবিশেষে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে৷ আজি দুপৰীয়া শেষকৃত্য সম্পন্ন কৰা হয়৷ মৃত্যুৰ সময়লৈ অসমীয়া ভাষাৰ গঠন আৰু বিকাশৰ হকে কাম কৰিছিল বিশ্বেশ্বৰ হাজৰিকাই৷ অসমীয়া সাহিত্যৰ জগতলৈ অনবদ্য অৱদান আগবঢ়াইছিল বিশ্বেশ্বৰ হাজৰিকাই৷ অধ্যাপনা কৰাৰ লগতে ভাষাৰ উন্নতিৰ হকে বিভিন্ন ধৰণৰ গৱেষণা কৰি ভাষাটোৰ সমৃদ্ধি ঘটাইছিল। বিশ্বেশ্বৰ হাজৰিকাই অসমৰ প্ৰসিদ্ধ সাহিত্যিক পণ্ডিত ড০ বাণীকান্ত কাকতিৰ গৱেষণাধৰ্মী "Assamese: Its Formation & Development" নামৰ গ্ৰন্থখন অসমীয়া ভাষালৈ অনুবাদ কৰিছিল। 'অসমীয়া-বড়ো-ৰাভা ত্ৰিভাষিক অভিধান' প্ৰণয়ন কৰাৰ লগতে চৰ্যাগীত, শিলালিপি আৰু অসমৰ বুৰঞ্জী সম্পৰ্কে গৱেষণা কৰিছিল৷ যাৰ বাবে ২০১৪ চনত অসম সাহিত্য সভাই সাহিত্যাচাৰ্য উপাধি প্ৰদান কৰিছিল। জাতিটোৰ সাহিত্য, সংস্কৃতি, ভাষাটোক সজীৱ কৰি ৰখা পুৰোধা ব্যক্তিগৰাকী পঞ্চভূতত বিলীন হ'ল৷ জাতিটোৰ সাহিত্য-সংস্কৃতি আৰু ভাষাটোক পুৰঠ কৰিবলৈ কাম কৰা মানুহগৰাকীৰ চিৰবিদায়ে জাতিটোৰ বাবেই এক শূন্যতা৷ হাজৰিকাৰ মৃত্যুত ৰাজ্য মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰি আত্মাৰ সদ্গতি কামান কৰে৷ ছয়টা দশক ধৰি ভাষা-সাহিত্য-সংস্কৃতিৰ সাধনা কৰা মহীৰুহগৰাকীৰ মৃত্যু জাতিটোৰ বাবে এক ক্ষতি বুলি কয় বিভিন্নজনে৷

# তিতাবৰত ঠেঙাল কছাৰী জনগোষ্ঠীৰ তৰা ছিৰা বিহু উদযাপন

**ই-সংবাদ, তিতাবৰ, ৩১ মাৰ্চঃ** অইন বেলিৰ দৰে এইবেলিও তিতাবৰত ব্যাপক উলহ-মালহেৰে ঠেঙাল কছাৰী জনগোষ্ঠীৰ পৰম্পৰাগত তৰা ছিৰা বিহু পালন কৰা হয়৷ সদৌ অসম ঠেঙাল কছাৰী ছাত্ৰ সন্থা, মহিলা সন্থা, স্বায়ত্ব শাসিত পৰিষদৰ উদ্যোগত তিতাবৰৰ মৰধলি কছাৰীগাঁৱত কেন্দ্ৰীয়ভাৱে তৰা ছিৰা বিহু পালন কৰা হয়৷ পৰম্পৰা ৰক্ষা কৰি গাঁৱৰ মুখিয়ালসকলক লগত লৈ জনগোষ্ঠীৰ ৰাইজে তৰা গছ আনে৷ আমৰলি পৰুৱাৰ টোপ, কেঁকোৰা, কুচীয়া, মাছ ধৰি আনে৷ তাৰ পাছতে আবাল, বৃদ্ধ বনিতাইজনগোষ্ঠীয় নৃত্য কৰি আপোন-পাহৰা হৈ পৰে৷ চ'ত মাহৰ শেষৰ সময়ত পৰম্পৰাগতভাৱে উদযাপন কৰা হয়



তাৰ ছিৰা বিহু। আধুনিকতাৰ ধামখুমীয়াত তাহানিৰ দৰে তৰা ছিৰা বিহুৰ মাদকতা হেৰাই যোৱাৰ উপক্ৰম হৈছে৷ যাৰ ফলত তিতাবৰত বসবাস কৰা ঠেঙাল কছাৰী জনগোষ্ঠীৰ লোকসকলে সেই মাদকতা পুনৰ উভতাই আনিবলৈ প্ৰয়াস কৰি গৈছে। পূৰ্বে তৰা ছিৰা বিহুত চিকাৰ কৰাৰো পৰম্পৰা আছিল৷ চিকাৰ কৰি অনা জন্তুৰ মঙহেৰে জনগোষ্ঠীয় খাদ্য তৈয়াৰ কৰি সমূহীয়া খাদ্য গ্ৰহণৰো পৰম্পৰা আছিল৷

## অসমতো প্ৰভাৱ, গড়ভংগা বনাঞ্চলত ভূমিস্খলন

# দেশজুৰি ধুমুহা-শিলাবৃষ্টিৰ তাণ্ডৱ, জলপাইগুৰিত নিহত ৪




**ই-সংবাদ, ৩১ মাৰ্চঃ** দেশৰ বিভিন্ন প্ৰান্ত প্ৰচণ্ড ধুমুহা আৰু শিলাবৃষ্টিৰ কবলত পৰাত ধন-জনৰ ক্ষতি হোৱাৰ খবৰে চাঞ্চল্যৰ সৃষ্টি কৰিছে৷ সবাতোকৈ বেছি ক্ষতি হৈছে পশ্চিমবংগত৷ পশ্চিমবংগত সাগৰীয় এলেকাত চাৰিগৰাকীকৈ লোকে প্ৰাণ হেৰুৱাইছে৷ আজি আবেলিৰ ভাগত পশ্চিমবংগৰ জলপাইগুৰিৰ বিস্তীৰ্ণ অঞ্চল ঘূৰ্ণীবতাহৰ কবলত পৰে। বহু গছ-গছনি উঘালি পৰাত অসংখ্য ঘৰ ক্ষতিগ্ৰস্ত হয়। খবৰ অনুসৰি জলপাইগুৰিত ঘূৰ্ণীবতাহৰ ফলত চাৰিজন লোকৰ মৃত্যু হৈছে। বহু লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছে৷ মৃত্যু হোৱা চাৰিজন লোকৰ মাজৰ দুজন জলপাইগুৰি চহৰৰ বাসিন্দা, এজন গোছালা ম'ৰৰ আৰু আন এজন সেনপাৰাৰ বাসিন্দা। চাৰিজনৰ ভিতৰত তিনিজন পুৰুষ আৰু এগৰাকী মহিলা। জলপাইগুৰি চহৰ, ধুপগুৰি, মায়নাগুৰিত দেওবাৰে আবেলি ধুমুহাৰ ফলত ভয়ংকৰভাৱে প্ৰভাৱিত হৈছে। জলপাইগুৰি চহৰৰ পাহাৰপুৰ পঞ্চায়তৰ পাটাকাটা আৰু মায়নাগুৰি অঞ্চলৰ ডেংগুয়াঝাৰ চাহ বাগিচা আৰু ধুপগুৰি বেছি ক্ষতিগ্ৰস্ত হৈছে।ঘৰ ভাঙি পৰাৰ ফলত বহুলোক গৃহহীন হৈ পৰিছে। মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছে। আবেলিলৈ জলপাইগুৰি জিলাৰ বহু ঠাইত ধুমুহা বলে। বিহাৰ আৰু আলিপুৰদুৱাৰৰ কিছু অঞ্চলও ধুমুহাত প্ৰভাৱিত হৈছে।পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ঘটনাটোত শোক প্ৰকাশ কৰিছে। মমতাই কয় ''আজি আবেলি জলপাইগুৰি-মায়নাগুৰি অঞ্চলত হঠাতে হোৱা ধাৰাসাৰ বৰষুণ আৰু ধুমুহাই বিধ্বংসী পৰিস্থিতিৰ সৃষ্টি কৰে। মানুহে প্ৰাণ হেৰুৱাইছে, বহু লোক আহত হৈছে, ঘৰ ক্ষতিগ্ৰস্ত হৈছে। গছ আৰু বিদ্যুতৰ খুঁটা উঘালিছে। জিলা আৰু খণ্ড প্ৰশাসন, আৰক্ষী, ডিএমজি আৰু কুইক ৰেচপন্স দলে পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ কাম কৰি আছে। সাহায্য যোগান ধৰা হৈছে। ক্ষতিগ্ৰস্ত লোকসকলক সুৰক্ষিত স্থানলৈ স্থানান্তৰ কৰা হৈছে। আনহাতে অসমৰ বিভিন্ন প্ৰান্ত প্ৰচণ্ড ধুমুহা, শিলাবৃষ্টিৰ কবলত পৰিছে৷ উজনি-নামনি অসমত ধুমুহা, শিলাবৃষ্টিয়ে নাগৰিকৰ দৈনন্দিৰ জীৱন যাত্ৰাত প্ৰভাৱ পেলোৱাৰ খবৰ পোৱা গৈছে৷ প্ৰচণ্ড ধুমুহা-বৰষুণৰ মাজতে গুৱাহাটীত ভূমিস্খলন হয়। গুৱাহাটীৰ গড়ভংগা সংৰক্ষিত বনাঞ্চলত পাহাৰ খহি আৱদ্ধ ১৫০ জনৰো অধিক লোক হয়৷ প্ৰশাসনে উদ্ধাৰকাৰী দলৰ দ্বাৰা ভূমিস্খলনস্থলীত নাগৰিকক সহায় কৰা দেখা যায়৷ গুৱাহাটীত বিমান বন্দৰত অঘটন সংঘটিত হয়৷ বৰষুণতে পানী জমা হোৱাৰ লগতে চিলিং আৰি টাৰ্মিনেলৰ ছাদ খহি পৰে৷ দেওবাৰে প্ৰায় ৪ বজাৰ পৰা গুৱাহাটী সমীপৱৰ্তী মিৰ্জা, পলাশবাৰী, ধাৰাপুৰ, আজাৰা, বিজয়নগৰ অঞ্চলত ধুমুহা আৰু শিলাবৃষ্টি হয়। প্ৰৱল ধুমুহা আৰু বৰষুণৰ ফলত প্ৰভাৱ পৰে বিমান বন্দৰত৷ নেৰেনেপেৰা বৰষুণত গুৱাহাটী বিমানবন্দৰৰ চৌদিশে পানী ভৰি পৰে৷ ঠায়ে ঠায়ে একাঁঠু পৰ্যন্ত পানী জমা হয়৷ উল্লেখ্য যে, বতৰ বিজ্ঞান বিভাগে উত্তৰ-পূৰ্বাঞ্চল আৰু উত্তৰবংগত পৰৱৰ্তী দুইৰ পৰা তিনি দিনত বজ্ৰপাত আৰু বৰষুণ হোৱাৰ ভৱিষ্যতবাণী কৰিছিল। তাৰ পাছতে দেওবাৰে অসম আৰু উত্তৰবংগৰ কেইবাখনো জিলাত ধাৰাষাৰ বৰষুণ হয়।

# নিজ ঘৰত লালকৃষ্ণ আদৱানিক 'ভাৰত ৰত্ন' প্ৰদান ৰাষ্ট্ৰপতি দ্ৰৌপদী মূৰ্মুৰ



**নতুন দিল্লী, ৩১ মাৰ্চঃ** অসুস্থতাৰ বাবে ৰাষ্ট্ৰপতি ভৱনলৈ যাব নোৱাৰা বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী লালকৃষ্ণ আদৱানিক আজি নিজ ঘৰতে ভাৰত ৰত্ন সন্মান প্ৰদান কৰা হয়৷ লালকৃষ্ণ আদৱানিৰ ঘৰত সোঁশৰীৰে উপস্থিত হৈ ৰাষ্ট্ৰপতি দ্ৰৌপদী মূৰ্মুৱে ভাৰত ৰত্ন সন্মান প্ৰদান কৰে৷ উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু আদৱানিৰ পৰিয়ালৰ সদস্যসকলৰ উপস্থিতিত দিল্লীৰ ঘৰত ভাৰত ৰত্ন সন্মান গ্ৰহণ কৰে লালকৃষ্ণ আদৱানিয়ে৷ ভাৰতৰ বয়োজ্যেষ্ঠ ৰাজনীতিবিদ তথা ৰাম মন্দিৰ আন্দোলনৰ হোতা লালকৃষ্ণ আদৱানিক ৰাম মন্দিৰ মুকলিৰ পাছতে এই সন্মান প্ৰদানৰ ঘোষণা কৰিছিল৷ সাত দশকধৰিদেশবাসীক সেৱা আগবঢ়াই অহা বুলি কৈ এই বঁটা প্ৰদানৰ ঘোষণা কৰা হৈছিল। ১৯২৭ চনত কৰাচীত জন্মগ্ৰহণ কৰা আৰু বিভাজনৰ সময়ত ১৯৪৭ চনত ভাৰতলৈ আহিছিল আদৱানী। সাংস্কৃতিক জাতীয়তাবাদৰ দৃষ্টিভংগীৰে কেইবা দশক ধৰি হিন্দুত্বৰ ৰাজনীতি কৰিছিল৷ কিন্তু দেশৰ সৰ্বোচ্ছ প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত হ'ব নোৱাৰিলে৷ কিন্তু তেওঁৰ দল বিজেপিয়ে ৩০০ খনতকৈ অধিক আলন লাভ কৰি দেশত দ্বিতীয়বাৰ চৰকাৰ চলাই আছে৷ তেওঁৰ দল চৰকাৰ চলাই থকাৰ সময়তে ভাৰত ৰত্নৰে সন্মান প্ৰদান কৰা হয়৷ কঠোৰ পৰিশ্ৰম কৰি সামাজিক-ৰাজনৈতিক দৃশ্যপটত পৰিৱৰ্তনৰ প্ৰয়াস কৰিছিল আদৱানীয়ে। জৰুৰীকালীন অৱস্থাৰ সময়ত ভাৰতৰ গণতন্ত্ৰ ৰক্ষাৰ আন্দোলন কৰিছিল৷এজন সাংসদ হিচাপে বিতৰ্কৰ জৰিয়তে সংসদীয় পৰম্পৰাক সমৃদ্ধ কৰিছিল এইগৰাকী আদৱানীয়ে। গৃহমন্ত্ৰী আৰু উপ-প্ৰধানমন্ত্ৰী হিচাপে কাম কৰি প্ৰশংসা লাভ কৰিছিল। ভাৰতৰ সাংস্কৃতিক পুনৰুত্থানৰ বাবে দীঘলীয়া আৰু সংগ্ৰামৰ পৰিণতিত ২০২৪ চনত ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ সময়ত এই সন্মান প্ৰদান কৰা হয়৷

# বৰপেটা লোকসভা সমষ্টিৰ শুৱালকুছিত কংগ্ৰেছৰ ব্যাপক প্ৰচাৰ

## বৰ্তমান অগপ নাগপুৰৰ নাগপাশত বন্দী: দ্বীপ বায়ন

**ই-সংবাদ, শুৱালকুছি, ৩১ মাৰ্চ :** লোকসভা নিৰ্বাচনৰ বাবে ৰাজ্যৰ প্ৰতিটো দলে আৰম্ভ কৰিছে নিৰ্বাচনী প্ৰচাৰ সভা ৷ পিছ পৰি থকা নাই ভাৰতীয় জাতীয় কংগ্ৰেছ দলো ৷ আজি মুখ্যমন্ত্ৰীৰ জালুকবাৰী সমষ্টি তথা বৰ্তমান ৩ নং বৰপেটা লোক সভা সমষ্টিৰ অন্তৰ্গত হাজো - শুৱালকুছি সমষ্টিৰ শুৱালকুছি ব্লক কংগ্ৰেছ কমিটিৰ উদ্যোগত মধ্য শুৱালকুছিত কংগ্ৰেছ দলৰ এখন বৃহৎ কৰ্মী সভা অনুষ্ঠিত হয়। এই সভাত উপস্থিত থাকে আগন্তুক লোকসভা নিৰ্বাচনৰ ৩ নং বৰপেটা লোকসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী দ্বীপ বায়ন। দলৰ মুখপাত্ৰ মৃদুল মালাকৰকে ধৰি কেইবাজনো কংগ্ৰেছ নেতা। দলীয় কৰ্মী সভাত অংশ গ্ৰহণ কৰি দ্বীপ বায়নে কয় যে , "কংগ্ৰেছৰ আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈ সুদীৰ্ঘ কংগ্ৰেছ দলত আছো। বহু ধুমুহা আহিলেও আদৰ্শৰ পৰা লৰচৰ নহওঁ। বহু প্ৰলোভন আহিলেও মই বিক্ৰী নহওঁ। গান্ধীৰ আদৰ্শ ভাল পোৱা সকলে নিশাটোৰ ভিতৰতে নাথুৰাম গডচেক ভাল পোৱা সকলৰ দৰে আমি নহয় "বুলি মন্তব্য কৰে ৷ দলীয় কৰ্মী সভাত তেওঁ অগপ দলক ক্ষুৰধাৰ সমালোচনা কৰি কয় যে অগপ দল এতিয়া নাগপুৰৰ নাগপাশত বন্দী এটা ৰাজনৈতিক দল ।অগপক তীব্ৰ সমলোচনা কৰাৰ লগতে জাতিয়তাবাদী আদৰ্শৰ পৰাও বিচলিত হৈছে অগপ দল ৷ অগপত এতিয়া মাত্ৰ ৪-৫ জন হে নেতা আছে বুলিও মন্তব্য কৰে ৷ আনহাতে অসম গণ পৰিষদে ৮৫৫ গৰাকী অসম আন্দোলনৰ শ্বহীদৰ নাম লৈ বিজেপিৰে মিত্ৰতা চলাই ৰাইজক আভুৱা ভৰা ৰাজনীতি নকৰিবলৈ দীপ বায়নে সকীয়াই দিয়ে ।অসমীয়া ৰাইজ কংগ্ৰেছৰ লগত আছে বুলি মন্তব্য কৰে দীপ বায়নে। কা আন্দোলনত নিহত ৫ গৰাকী যুৱকক কিয় শ্বহীদ ঘোষণা নকৰিলে বুলিও দীপ বায়নে প্ৰশ্ন উত্থাপন কৰে। আজি অনুষ্ঠিত কংগ্ৰেছ দলৰ দলীয় কৰ্মী সভাত প্ৰায় দ্বিশতাধি শুৱালকুছি ব্লক কংগ্ৰেছৰ কৰ্মীয়ে অংশগ্ৰহণ কৰে ৷ এই সভাতে দুগৰাকী প্ৰাক্তন ছাত্ৰ নেতাই দ্বীপ বায়নৰ ওচৰত কংগ্ৰেছ দল ত যোগদান কৰে ৷

# মেৰাপানীত অজন্তা নেওগৰ নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, ৩১মাৰ্চঃ** ৰাজ্যত চলিছে নিৰ্বাচনৰ গৰম বতাহ। চৌদিশে চলিছে তীব্ৰ নিৰ্বাচনী প্ৰচাৰ। প্ৰচণ্ড বৰষুণ, প্ৰতিকূল বতৰকো নেওচি মেৰাপানীৰ বিভিন্ন স্থানত কামাখ্যা প্ৰসাদ তাচাৰ হৈ ব্যাপক নিৰ্বাচনী প্ৰচাৰ বিত্তমন্ত্ৰী অজন্তা নেওগৰ। পঞ্চায়তে পঞ্চায়তে সভা পাতি তীব্ৰ নিৰ্বাচনী প্ৰচাৰ বিজেপিৰ। উন্নয়ণৰ শ্ল'গান লৈ ৰাইজৰ পৰা ভোট ভিক্ষা বিজেপিৰ। দেওবাৰে ৰাজ্যৰ বিত্তমন্ত্ৰী অজন্তা নেওগ উপস্থিত হৈ মেৰাপানী, তৰাণি, দৈয়াং আৰু চাউদাংপথাৰ গাঁও পঞ্চায়তৰ কেইবাখনো নিৰ্বাচনী সভাত অংশ লৈ কাজিৰঙা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাচাৰ হৈ প্ৰচাৰ চলায়। অজন্তা নেওগে কয় যে কংগ্ৰেছ ৰাজনৈতিকভাৱে শূণ্য হ'ব। কংগ্ৰেছৰ যিসকল অৱশিষ্ট লোক আছে তেওঁলোকে বুজি পাইছে যে এতিয়া কংগ্ৰেছত থাকি একো লাভ নাই। আজি বহু কংগ্ৰেছ কৰ্মীয়ে বিজেপিত যোগদান কৰে।

# নগাঁৱত নৱ নিযুক্ত এন এছ ইউ আইৰ ৰাষ্ট্ৰীয় সম্পাদক মহচিন খানক সম্বৰ্ধনা

**ই সংবাদ, মৈৰাবাৰী, ৩১ মাৰ্চঃ** ছাত্ৰ ৰাজনীতিত দোপতদোপে আগবাঢ়ি গৈ থকা মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ দলৈগাঁৱৰ সুসন্তান উচ্চ শিক্ষিত যুৱক মহচিন খানক এন এছ ইউ আইৰ ৰাষ্ট্ৰীয় সম্পাদক হিচাপে নিযুক্তি প্ৰদান কৰাৰ খবৰে জ্যেষ্ঠ কংগ্ৰেছ নেতা-কৰ্মীৰ লগতে ছাত্ৰ-যুৱ কৰ্মীসকলকো অতিকৈ আনন্দিত কৰি তুলিছে। অসম প্ৰদেশ কংগ্ৰেছ দলৰ মুখপাত্ৰ হিচাপে বলিষ্ঠ কণ্ঠেৰে শাসকীয় দলক তীক্ষ্ণ সমালোচনা কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা মহচিন খানক শনিবাৰে সন্ধিয়া নগাঁৱৰ কংগ্ৰেছ দলৰ যুৱ কৰ্মীসকলে দলে-বলে উষ্ম আদৰণি জনোৱাৰ উপৰিও অসমীয়া ফুলাম গামোচা, জাপী আদিৰে সম্বৰ্ধনা জনায়। ইপিনে নগাঁও লোকসভা সমষ্টিৰ সাংসদ তথা সমাগত লোকসভা নিৰ্বাচনৰ নগাঁও সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়েও মহচিন খানক গামোচা, জাপী আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। বিভিন্ন সময়ত শাসকীয় দলৰ জনবিৰোধী নীতিক লৈ সৰৱ হৈ আহিছে কৃতী ছাত্ৰ নেতাগৰাকী।

# উৰিয়ামঘাট আঞ্চলিক চুতীয়া ছাত্ৰ সমিতি গঠন, দায়িত্ব অৰ্পণ



**ই-সংবাদ, সৰুপথাৰ, ৩১ মাৰ্চঃ** গোলাঘাট জিলা, সৰুপথাৰ উপ-জিলাৰ অন্তৰ্গত উৰিয়ামঘাটত উৰিয়ামঘাট আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ  বাৰ্ষিক প্ৰতিনিধি সম্পন্ন হয়।ধনশিৰি মহকুমাৰ চুতীয়া ছাত্ৰ  সন্থাৰ সভাপতি অভিজিৎ চুতীয়াৰ সভাপতিত্বত হোৱা সভাৰ উদ্দেশ্য বাখ্যা কৰে উৰিয়ামঘাট আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ সম্পাদক ৰাহুল শইকীয়াই।উক্ত প্ৰতিনিধিৰ সভাত দিপাংকৰ বৰাক সভাপতি,বিজু বৰাক কাৰ্যকৰী সভাপতি, নাৰায়ন শইকীয়া আৰু ৰাহুল বৰাক উপ সভাপতি, ডিম্পল শইকীয়াক সাধাৰন সম্পাদক,ময়ূৰী শইকীয়া আৰু দীপম শইকীয়াক সহকাৰী সাধাৰন সম্পাদক, পল্লৱী শইকীয়াক শিক্ষা সম্পাদক, যদুমণি বৰাক সংস্কৃতি সম্পাদক, বিকাশ খনিকৰ, দিনেশ বৰা, সংগীতা বৰাক আলোচনী সম্পাদক আৰু পাৰ্থ শইকীয়াক কাযালয় সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰা হয়।নতুনকৈ গঠন কৰা সমিতি খনক দায়িত্ব ভাৰ দিয়াৰ উদ্দেশ্যে ধনশিৰি মহকুমাৰ চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ চুতীয়াৰ সভাপতিত্বত হোৱা সভাত সম্পাদক ৰক্তিম হাজৰীকাই বক্তব্য ৰাখে।সভাত গোলাঘাট জিলা চুতীয়া ছাত্ৰ সন্থাৰ সহ সম্পাদক দীপু শইকীয়া, সন্থাৰ সাংগঠনিক সম্পাদক পৰশমনি চুতীয়া আৰু ত্ৰিদিপ বৰা, ধনশিৰি মহকুমাৰ চুতীয়া ছাত্ৰ উপ-সভাপতি হেমন্ত বৰা, সৰুপথাৰ আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ সম্পাদক চন্দন শইকীয়া উপস্থিত থাকে।

শেষ পৃষ্ঠা

## আই পি এলৰ খবৰ

# হায়দৰাবাদৰ বিৰুদ্ধে ৭উইকেটত জিকিল গুজৰাট

**নতুন দিল্লী, ৩১মাৰ্চঃ** দেওবাৰে অনুষ্ঠিত হোৱা আই পি এলৰ প্ৰথমখন মেচত হায়দৰাবাদৰ বিৰুদ্ধে গুজৰাটে বিজয় সাব্যস্ত কৰে। আই পি এলৰ ১২সংখ্যক মেচখনত হায়দৰাবাদে টছত জিকি প্ৰথমে বেটিং কৰা সিদ্ধান্ত লয়। প্ৰথমে বেটিং কৰি হায়দৰাবাদে নিৰ্ধাৰিত ২০অভাৰত ১৬২ৰাণ সংগ্ৰহ কৰে। ১৬২ৰাণৰ পিচা কৰি ক্ৰীজত নমা গুজৰাট টাইটানছে ৭উইকেটত বিজয় লাভ কৰে। গুজৰাটৰ হৈ মিলাৰে ২৭টা বলত অপৰাজিত হৈ ৪৪ৰাণ সংগ্ৰহ কৰে। ইয়াৰ উপৰিও ছাই সুদৰ্শনে ৩৬টা বলত ৪৫ৰাণৰ বৰঙণি আগবঢ়ায়। গুজৰাটৰ শুভমন গীলে ৩৬ৰাণ, ঋদ্ধিমান ছাহাই ২৫ৰাণ আৰু বিজয় শংকৰে অপৰাজিত ১৪ৰাণ সংগ্ৰহ কৰে।

# দিল্লীৰ বিৰুদ্ধে চেন্নাই পৰাজিত

**চেন্নাই, ৩১মাৰ্চঃ** দেওবাৰে অনুষ্ঠিত হোৱা আই পি এলৰ দ্বিতীয়খন মেচত ২০ৰাণত চেন্নাই ছুপাৰকিংছক পৰাভূত কৰে দিল্লীয়ে। হাইভল্টেছ মেচখনত চেন্নাইৰ বিৰুদ্ধে বেটেবলে পৰাক্ৰম দেখায় দিল্লীৰ দলটোৱে। টছত জিকি দিল্লীয়ে ২০অভাৰত ৫টা উইকেটৰ বিনিময়ত ১৯৫ৰাণ সংগ্ৰহ কৰে। ১৯৬ৰাণৰ পিছা কৰি চেন্নাই দলটোৱে ক্ৰীজত নামে যদিও নিৰ্ধাৰিত ২০অভাৰত ৬টা উইকেট হেৰুৱাই মাত্ৰ ১৭১হে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। আজিৰ খেলখনত চেন্নাইৰ হৈ ধোনীয়ে ১৬টা বলত অপৰাজিত ৩৭ৰাণ সংগ্ৰহ কৰে।




# অনিৰ্দিষ্ট কাললৈ বন্ধ হোৱাৰ সম্ভাৱনা বটলিফ টি ফেক্টৰী, সংবাদমেল সম্বোধন

**ই-সংবাদ, ৩১মাৰ্চঃ** সোমবাৰৰ পৰা অনিৰ্দিষ্ট কাললৈ বন্ধ হ'ব বিশ্বনাথ জিলাৰ বটলিফ টি ফেক্টৰী। কাৰ্যতঃ ৰাসায়নিক দ্ৰব্য বিহীন প্ৰমাণ পত্ৰৰ অবিহনে কোনো বটলিফ টি ফেক্টৰীয়ে ক্ৰয় নকৰে ক্ষুদ্ৰ চাহ খেতিয়কৰ কেঁচা চাহপাত। ইতিমধ্যে কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্ত অনুসৰি কেঁচা চাহপাত ক্ৰয়ৰ ক্ষেত্ৰত জাৰি কৰা এছ অ পিৰ পিছতে বিশ্বনাথৰ বটলিফ ফেক্টৰী সমূহে অসম চাহ বৰ্ডৰ প্ৰমাণ পত্ৰ বিহীন কোনো খেতিয়কৰ পৰা চাহ ক্ৰয় নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। দেওবাৰে বিশ্বনাথৰ লী পেলেছত অনুষ্ঠিত এক সংবাদমেলত বিশ্বনাথ জিলাৰ বটলিফ ফেক্টৰী সংস্থাৰ সভাপতি দ্বিজেন শইকীয়া আৰু সম্পাদক লক্ষী ভড়ালীয়ে জনাই যে চৰকাৰী নিৰ্দেশনা অনুসৰি অসম চাহ বোৰ্ডৰ দ্বাৰা প্ৰদান কৰা ৰাসায়নিক দ্ৰব্য বিহীন কেচাপাতহে বটলিফ ফেক্টৰীয়ে ক্ৰয় কৰিব পাৰিব। অন্যথা ফেক্টৰীৰ ওপৰত আইনগত ব্যৱস্থা লোৱাৰো নিৰ্দেশনাটোত উল্লেখ আছে। সেয়ে চৰকাৰী নিৰ্দেশ উলংঘা কৰি কোনো কাৰণতে চাহ বোৰ্ডৰ প্ৰমাণ পত্ৰৰ অবিহনে ক্ষুদ্ৰ চাহ খেতিয়কৰ পাত ক্ৰয় কৰা নহ'ব বুলি সংবাদমেলত স্পষ্ট কৰাৰ পিছত ক্ষুদ্ৰ চাহ খেতিয়কৰ মাজত হাহাকাৰৰ সৃষ্টি হৈছে। ১ এপ্ৰিলৰ দিনটোত এতিয়া ক্ষুদ্ৰ চাহ খেতিয়কে পাত চিঙি বটলীফ ফেক্টৰীলৈ আনি ৰাসায়নিক দ্ৰব্য বিহীন প্ৰমাণ পত্ৰ কেনেকৈ লাভ কৰিব তাক লৈ এতিয়া বিমোৰত পৰিছে খেতিয়কসকল। কিয়নো ৰাসায়নিক দ্ৰব্য পৰীক্ষা কৰা সামগ্ৰী বৰ্তমান অসমৰ লগতে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলতে নাই। তেনেক্ষেত্ৰত ক্ষুদ্ৰ চাহ খেতিয়কে চাহপাতৰ ৰাসায়নিক দ্ৰব্য বিহীনতা প্ৰমাণ কৰিব সেয়া এতিয়া লাখটকীয়া প্ৰশ্ন। চৰকাৰীভাৱে স্বাস্থ্যজনিত সমস্যা ৰোধৰ সমান্তৰালকৈ ক্ষুদ্ৰ চাহ খেতিয়কক ৰাসায়নিক দ্ৰব্য ব্যৱহাৰৰ বিকল্প সুযোগ নিদি চৰকাৰে এনে সিদ্ধান্ত গ্ৰহণৰ পিছত ৰাজপথলৈ ওলাই অহাৰহে সুযোগ দিয়া বুলি উচ্চাৰিত হৈছে।




newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান